প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

# পিএমএৱাই-জিৰ আৱাস গৃহৰ পুঁজি প্ৰদানত খেলি-মেলি গাঁও পঞ্চায়ত ক'ৰডিনেটৰক বৰ্খাস্ত

**গুৱাহাটী ২৭ আগষ্ট ঃ** নগাঁও জিলাৰ ৰূপহীহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত গেৰেকী গাঁও পঞ্চায়তৰ জিপিচি (Gaon Panchayat Coordinator) ৰিয়াজুল ইছলামক যোৱা ২৫ আগষ্টৰ পৰা বলবৎ হোৱাকৈ চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। উল্লেখযোগ্য যে এই গাঁও পঞ্চায়তখনৰ অন্তৰ্গত গঁড়েমাটিখোৱা গাঁৱৰ হিতাধিকাৰী জয়নাল আবেদিনে প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (পিএমএৱাই-জি)ৰ অধীনত লাভ কৰিবলগীয়া ১,৩০,০০০ টকা হিতাধিকাৰী আৰু জিপিচিগৰাকীৰ পত্নীৰ নাম একে হোৱাৰ সুবিধা লৈ জিপিচি ইছলামে নিজৰ পত্নীৰ বেংক একাউণ্টত প্ৰদান কৰে। পিএমএৱাই-জিৰ পুঁজিৰ এই জালিয়াতি জিলাখনৰ মুখ্য কাৰ্যবাহী বিষয়াই তদন্ত কৰি জিপিচিগৰাকীৰ দুষ্কাৰ্য ধৰা পেলায় আৰু বিহিত ব্যৱস্থাৰ বাবে বিভাগৰ আয়ুক্তলৈ তদন্তৰ প্ৰতিবেদন প্ৰেৰণ কৰে।

এই তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত ঠিকাভিত্তিত নিযুক্ত জিপিচি ৰিয়াজুল ইছলামক বিভাগৰ আয়ুক্ত হেমেন দাসে বৰ্খাস্ত কৰে।

*এমআৰডি/২৭-০৮-২০২০*

## Misappropriation of PMAY-G fund

## Gaon Panchayat Coordinator terminated

**Guwahati 27 August:** Riazul Islam, GPC (Gaon Panchayat Coordinator), Gereki GP under Rupahihat Development Block, Nagaon has been terminated from his job with effect from August 25 last.

It may be mentioned here that GPC Islam committed gross financial irregularities in implementation of Pradhan Mantri Awaas Yojna- Gramin Scheme. In enquiry it comes to light that the GPC transferred Rs 1,30,000 to his wife's bank account which was supposed to be received by Joynal Abedin, a PMAY-G beneficiary of Garematikhowa village under Gereki GP for his PMAY-G house. The Chief Executive Officer (CEO), Nagaon Zila Parisad enquired into the case and found the GPC guilty. Then the CEO sent the enquiry report to the Commissioner, P & RD, Assam for necessary action. On the basis of the report Hemen Das, Commissioner, P & RD, Assam has terminated GPC Riazul Islam.

*MRD/27-08-2020*